IJCRT.ORG ISSN : 2320-2882

INTERNATIONAL JOURNAL OF CREATIVE RESEARCH THOUGHTS (IJCRT)

An International Open Access, Peer-reviewed, Refereed Journal

# হোমেন বৰগোহাঞিৰ 'পিতাপুত্ৰ' উপন্যাসত ভৌতিক সংস্কৃতিৰ প্ৰতিফলনঃ এটি আলোচনা

ড. স্বপ্নালী শইকীয়া, সহকাৰী অধ্যাপক,
অসমীয়া বিভাগ, বিহালী স্নাতক মহাবিদ্যালয়

বিজয় কুমাৰ মিশ্ৰ, সহকাৰী অধ্যাপক,
ৰাজনীতি বিজ্ঞান বিভাগ, বিহালী স্নাতক মহাবিদ্যালয়

**সংক্ষিপ্তসাৰঃ** অসমীয়া সাহিত্যৰ এটা পৰিচিত নাম হোমেন বৰগোহাঞি। গল্প, কবিতা, প্ৰবন্ধ, চিন্তাপ্ৰসূত ৰচনা, সমালোচনা সাহিত্য, সাংবাদিকতা আদি সকলো দিশতে নিজস্ব পৰিচয় ৰখা হোমেন বৰগোহাঞি ঔপন্যাসিক হিচাপেও বিশেষভাৱে সমাদৃত। ১৯৬৩ চনত 'সুবালা' উপন্যাসৰ জৰিয়তে হোমেন বৰগোহাঞিয়ে ঔপন্যাসিক হিচাপে আত্মপ্ৰকাশ কৰে। ইয়াৰ পাছত তেওঁৰ 'তান্ত্ৰিক' (১৯৬৭), 'কুশীলব'(১৯৭০), 'হালধীয়া চৰায়ে বাওধান খায়' (১৯৭৩), 'পিতাপুত্ৰ'(১৯৭৫), 'তিমিৰ তীৰ্থ' (১৯৭৫), 'অস্তৰাগ' (১৯৮৬), 'সাউদৰ পুতেকে নাও মেলি যায়' (১৯৮৭) আৰু 'মĖস্যগন্ধা' (১৯৮৭) উপন্যাস প্ৰকাশ হয়। তেখেতৰ প্ৰতিখন উপন্যাসতেই অভিনৱ বিষয়-বস্তুৰ প্ৰতিফলন ঘটাৰ লগতে সমসাময়িক সমাজ জীৱনৰ এখন সুন্দৰ ছবি দেখিবলৈ পোৱা যায়। বিশেষকৈ 'পিতাপুত্ৰ' উপন্যাসখনত অসমীয়া গ্ৰাম্যসমাজৰ সুন্দৰ প্ৰকাশ ঘটিছে।

অতীজৰে পৰা সাহিত্যৰ লগত লোকজীৱনৰ এটি নিবিড় সম্পৰ্ক ৰক্ষিত হৈ আহিছে। কিয়নো লিখিত ৰূপ পোৱাৰ পূৰ্বে মুখপৰম্পৰাতেই প্ৰত্যেক সাহিত্যৰ সংৰক্ষণ আৰু প্ৰচলন হৈছিল। যিহেতু সাহিত্যৰ মাজেদি একোখন সমাজৰ প্ৰকৃত ছবি প্ৰতিফলিত হয়, সেয়ে এনে সৃষ্টিকৰ্মত সামাজিক ৰীতি-নীতি, আচাৰ-আচৰণসমূহৰ গভীৰ অধ্যয়ন আৰু বিচাৰ-বিশ্লেষণৰ যথেষ্ট অৱকাশ থাকে। জন্মৰ পৰা মৃত্যুলৈকে জীৱনৰ বিভিন্ন উপলক্ষত, পুৱাৰ পৰা গধূলিলৈকে বিভিন্ন সময়ত পালন কৰা ৰীতি-নীতি, আচাৰ-আচৰণ, দৈনন্দিন জীৱনত ব্যৱহাৰ কৰা বিভিন্ন সামগ্ৰী, সাজ-পাৰ, আ-অলংকাৰ, খাদ্যাভ্যাস, অৱসৰ-বিনোদনৰ বিভিন্ন প্ৰক্ৰিয়া, সমাজত প্ৰচলিত বিভিন্ন বিশ্বাস আৰু অন্ধবিশ্বাস, বিভিন্ন উৎসৱ-অনুষ্ঠানৰ লগতে এনে উৎসৱ-অনুষ্ঠানৰ প্ৰসংগত পালন কৰা বিবিধ নীতি-নিয়ম– এই সকলোবোৰক লোক-সংস্কৃতিৰ অধ্যয়নে সামৰি লয়। ভৌতিক সংস্কৃতি, লোক সংস্কৃতিৰ এটা অন্যতম অংশ। প্ৰস্তাৱিত গৱেষণা পত্ৰত **হোমেন বৰগোহাঞিৰ 'পিতাপুত্ৰ' উপন্যাসত ভৌতিক সংস্কৃতিৰ প্ৰতিফলনঃ এটি আলোচনা** শীৰ্ষক বিষয়ত প্ৰণালীবদ্ধ আলোচনা কৰিবলৈ প্ৰয়াস কৰা হৈছে।

বীজঁ শব্দঃ *হোমেন বৰগোহাঞি, উপন্যাস, লোক-সংস্কৃতি, লোকজীৱন, লোকবিশ্বাস, ভৌতিক সংস্কৃতি* ইত্যাদি।

**১.০০ অৱতৰণিকাঃ** সাধাৰণ অৰ্থত লোক-সংস্কৃতি হ'ল জনসাধাৰণৰ সংস্কৃতি।'লোক' অৰ্থাৎ জনসাধাৰণে পৰম্পৰাগতভাৱে যুগে যুগে প্ৰচলন কৰা কোনো এটা সম্প্ৰদায়ৰ জীৱন পদ্ধতিকেই লোক-সংস্কৃতি আখ্যা দিব পাৰি। এজন মানুহে জন্মৰ পৰা মৃত্যুলৈকে, জীৱনৰ বিভিন্ন উপলক্ষ্যত বা বিভিন্ন সময়ত পালন কৰা ৰীতি-নীতি, আচাৰ-ব্যৱহাৰ, সংস্কাৰ আদিয়েই মূলতঃ লোক-সংস্কৃতি। লোক-সংস্কৃতিৰ ইতিহাস অতি প্ৰাচীন। মানৱজাতিৰ জন্মলগ্নতেই লোক-সংস্কৃতিৰ সৃষ্টি। অৱশ্যে ইয়াৰ পদ্ধতিগত অধ্যয়ন আৰু চিন্তা-চৰ্চা ঊনবিংশ শতিকাৰ প্ৰথমছোৱাৰ পৰাহে আৰম্ভ হয়। ৰোমাণ্টিক আন্দোলনৰ সুদূৰপ্ৰসাৰী প্ৰভাৱৰ পৰিণতি স্বৰূপে ঊনবিংশ শতিকাৰ আৰম্ভণিত ইংলেণ্ডৰ পুৰাতত্ত্ববিদ্ আৰু জাৰ্মানদেশীয় ভাষাতত্ত্ববিদ্সকলে জনসাধাৰণৰ ৰীতি-নীতি, আচাৰ-ব্যৱহাৰাদিৰ ওপৰত সন্ধানী দৃষ্টি সম্প্ৰাত কৰিবলৈ প্ৰয়াস কৰাৰ লগে লগে লোকবিদ্যা বা লোক সংস্কৃতিৰ অধ্যয়নৰ পথ প্ৰশস্ত হৈ উঠে আৰু ইয়াৰ ফলস্বৰূপে অধ্যয়নৰ নতুন ক্ষেত্ৰ অৰ্থাৎ new field of learning ৰূপে লোকসংস্কৃতি বা লোকবিদ্যাই আত্মপ্ৰকাশ কৰিবলৈ সক্ষম হয়।[1] বৃটিছ পুৰাতত্ত্ববিদ্ William John Thoms এ লোকজ্ঞান আৰু লোকঅভিজ্ঞতাক সূচাবৰ কাৰণে ১৮৪৬ চনত *Athenaeum*[2] নামৰ আলোচনীখনত পোনপ্ৰথমবাৰৰ বাবে *Folklore* অভিধাটো প্ৰয়োগ কৰে আৰু পৰৱৰ্তীকালত ই সমগ্ৰ বিশ্বতে ব্যাপ্তি লাভ কৰে।

অসমীয়া ভাষাত ব্যৱহৃত 'লোক-সংস্কৃতি' শব্দটো ইংৰাজী *Folklore* শব্দৰ সমাৰ্থক বুলি ধৰা হয়। লোক-সংস্কৃতিৰ বিস্তৃত পৰিসৰৰ প্ৰতি লক্ষ্য ৰাখি অধ্যয়নৰ William সুবিধাৰ কাৰণে সমালোচকসকলে লোক-সংস্কৃতিৰ শ্ৰেণীবিভাজন কৰি উলিয়াইছে। Richard M. Dorson এ লোকবিদ্যা বা লোক-সংস্কৃতিক চাৰিটা শ্ৰেণীত ভাগ কৰিছে –

(ক) মৌখিক সাহিত্য বা মৌখিক লোকবিদ্যা (Oral literature)
(খ) ভৌতিক সংস্কৃতি (Material Culture)
(গ) সামাজিক লোকাচাৰ বা লোক ৰীতি-নীতি (Social Folk Custom)

(ঘ) লোক পৰিৱেশ্য কলা (Folk performing art)[৩]

হোমেন বৰগোহাঞি ৰচিত চাৰিটা পৰ্বত বিভক্ত বৃহৎ কলেবৰৰ উপন্যাস হ'ল 'পিতাপুত্ৰ' । ১৯৭৫ চনত প্ৰকাশ পোৱা উপন্যাসখনত স্বাধীনোত্তৰকালৰ অসমৰ এখন সজীৱ ছবি প্ৰতিফলিত হৈছে৷ উপন্যাসখনৰ পটভূমি হ'ল ম'হঘূলি নামৰ এখন গাঁও৷ উপন্যাসখনৰ কেন্দ্ৰীয় চৰিত্ৰ শিৱনাথ ফুকন ম'হঘূলি গাঁৱৰ আঢ্যৱন্ত লোক৷ শিৱনাথৰ অতীত জীৱনৰ স্মৃতিচাৰণ আৰু ভৱিষ্যতে হ'ব পৰা পৰিৱৰ্তনৰ কল্পনা, উপন্যাসখনৰ কাহিনীৰ বিকাশত সহায়ক হৈছে৷ 'পিতাপুত্ৰ'ত ঔপন্যাসিকৰ ব্যক্তিগত জীৱনৰ বহুতো অভিজ্ঞতা আৰু সমল জড়িত আছে৷ এই সম্পৰ্কত ঔপন্যাসিকগৰাকীয়ে কৈছে– " সংক্ষেপে ক'বলৈ গ'লে পিতাপুত্ৰ উপন্যাসখন বহুলাংশে আত্মজীৱনীমূলক৷ কিন্তু তাৰ অৰ্থ এই নহয় যে মই উপন্যাসখনত মোৰ নিজৰ আৰু মোৰ জীৱনৰ লগত সম্পৰ্কিত অন্যান্য মানুহবোৰৰ অবিকল প্ৰতিকৃতি অংকন কৰিছোঁ৷ বহুতো ঘটনা আৰু সেই ঘটনাবোৰৰ প্ৰতি উপন্যাসখনৰ বিভিন্ন চৰিত্ৰৰ প্ৰতিক্ৰিয়া হয়তো মই বাস্তৱ জীৱনৰ পৰাই গ্ৰহণ কৰিছোঁ, কিন্তু উপন্যাসখনৰ কোনো এটা চৰিত্ৰই মোৰ নিজৰ বা আন কোনো সঁচাসঁচি মানুহৰ অবিকল প্ৰতিকৃতি নহয়৷ "[৪]

উপন্যাসখনৰ প্ৰথম পৰ্বত ভাৰতে স্বাধীনতা লাভ কৰাৰ ইংগিত দিয়া হৈছে৷ অৱশ্যে স্বাধীনতাৰ পৰৱৰ্তী সময়ছোৱাত হ'ব পৰা পৰিৱৰ্তনৰ প্ৰতি শিৱনাথৰ শংকাও নথকা নহয়৷ উপন্যাসখনৰ দ্বিতীয় পৰ্বত স্বাধীনতাৰ পৰৱৰ্তী সময়ত ম'হঘূলি অঞ্চললৈ নগৰীয়া সভ্যতাৰ আগমন ঘটিছে৷ ৰাস্তা-ঘাটৰ লগতে ম'হঘূলিবাসীৰ চিন্তা-ধাৰাৰো পৰিৱৰ্তন হৈছে৷ সেইবাবেই উচ্চ-নীচৰ ভেদাভেদ আঁতৰাবলৈ গাঁৱৰ ৰাইজে শিৱনাথৰ ঘৰৰ পৰা বছৰেকীয়া হুঁচৰি ভাগ আৰম্ভ কৰাৰ সলনি গাঁৱৰ এমূৰৰ পৰা গোৱাৰ সিদ্ধান্ত লৈছে৷

নতুনৰ বাটেদি প্ৰৱেশ কৰা নগৰীয়া সভ্যতা উপন্যাসখনৰ তৃতীয় পৰ্বত নতুন আৰু পুৰণি মূল্যবোধৰ দ্বন্দ্বৰ্বলৈ ৰূপান্তৰিত হৈছে৷ নতুন চিন্তা-ধাৰা পোষণ কৰা শিৱনাথৰ বৰপুত্ৰ গৌৰীনাথে জাতিভেদ প্ৰথা আওকাণ কৰি কৈৱৰ্ত সম্প্ৰদায়ৰ গাভৰু উৰ্মিলাৰ লগত সম্পৰ্ক কৰাৰ কাৰণে শিৱনাথে তেওঁক ত্যাগ কৰিছে৷ এই পৰ্বতে দুজনী জীয়েক ৰম্ভা আৰু সুমিত্ৰাও শিৱনাথৰ মানসিক দ্বন্দ্বৰ্বৰ অন্যতম কাৰণ হৈ পৰিছে৷ বসন্তৰ দাগে আপচু কৰি তোলা ৰম্ভাক ম'হঘূলিৰ কনক ঠিকাদাৰে বিয়াৰ প্ৰস্তাৱ আগবঢ়োৱাত মৰ্যাদা সচেতন শিৱনাথ জাঙুৰ খাই উঠিছে৷ কিয়নো, একালত শিৱনাথৰ ঘৰত হালোৱা হৈ থকা লালুৱা বুঢ়াৰ পুতেক কনক ঠিকাদাৰলৈ ৰম্ভাক বিয়া দিয়াতকৈ তাইক দুটুকুৰা কৰি নৈত উটুৱাই দিয়াটোৱেই উচিত বুলি শিৱনাথে ভাবে৷ উপন্যাসখনৰ চতুৰ্থ পৰ্বত শিৱনাথৰ সমস্যাবহুল জীৱনৰ লগতে ম'হঘূলিৰ সমসাময়িক পৰিৱেশৰ সুন্দৰ ছবি অংকিত হৈছে৷ এই পৰ্বত শিৱনাথৰ ঠাই অধিকাৰ কৰিছে মাজুপুতেক কালিনাথে৷[৫] ভনীয়েকৰ চিঠিৰ জৰিয়তে ভায়েক লক্ষ্মীনাথে ঘৰখনৰ ওপৰত কৰা অত্যাচাৰৰ কথা গম পাই কালিনাথে এম. এ. পঢ়া আধাতে এৰি ঘৰলৈ উভতি আহে৷ কিন্তু উচ্চ শিক্ষাৰ আশা পৰিহাৰ কৰি মহ'ঘূলিক নিকা কৰিবলৈ সংকল্প লৈ অহা কাৰ্যটোৱেই উপন্যাসখনৰ উৎকৃষ্ট 'আইৰণি' অৰ্থাৎ শ্লেষ৷ কাৰণ যুগৰ কলুষিত বতাহে ৰুগ্ন কৰা সমাজক শোধন কৰিবলৈ আহি কালিনাথে নিজেই নতুন বোকাত আকণ্ঠ লেটি ল'বলৈ বাধ্য হ'ল৷[৬] উপন্যাসখনত মূল চৰিত্ৰ শিৱনাথক কেন্দ্ৰ কৰি বৰ্ণিত হোৱা দীঘলীয়া কাহিনীভাগত ম'হঘূলি অঞ্চলৰ সামগ্ৰিক বিৱৰ্তনৰ লগতে, এনে বিৱৰ্তনৰ যোগেদি হোৱা সামাজিক অৱক্ষয়ৰ ছবিখন স্পষ্ট হৈ উঠিছে৷ সমান্তৰালভাৱে উপন্যাসখনত লোকজীৱনৰ অনেক দিশ প্ৰতিফলিত হৈছে৷

**২.০০ 'পিতাপুত্ৰ' উপন্যাসত প্ৰতিফলিত হোৱা ভৌতিক সংস্কৃতিঃ** ভৌতিক সংস্কৃতি লোক-সংস্কৃতিৰ এক উল্লেখযোগ্য অংশ৷ প্ৰাত্যহিক জীৱনৰ বাবে প্ৰয়োজনীয় গৃহ-নিৰ্মাণ, বাচন-বৰ্তন, ৰন্ধনপ্ৰণালী, আ-অলংকাৰ, সাজ-পাৰ, স্থপতিবিদ্যা, চিত্ৰকলা, শিল্পচৰ্চা আদি সকলো বিষয়ৰ চিন্তা-চৰ্চা আৰু অনুশীলন ভৌতিক সংস্কৃতিয়ে সামৰি লয়৷ ভৌতিক সংস্কৃতিক লোক কলা(Folk art) লোক শিল্প(Folk crafts) লোক স্থপতিবিদ্যা (Folk-architecture) আৰু লোক ৰন্ধনপ্ৰণালী(Folk Cookery)আদি ভাগত ভগাব পাৰি৷

**২.০১ লোক কলাঃ** লোকমনক আনন্দ প্ৰদানৰ উদ্দেশ্যেই লোককলাৰ সৃষ্টি৷ অসমত অতি প্ৰাচীন কালৰে পৰাই লোককলাৰ চৰ্চা হৈ আহিছে৷ চিত্ৰাংকন অসমৰ অন্যতম লোককলা৷ খ্ৰীষ্টীয় সপ্তম শতিকা মানৰ পৰাই অসমত চিত্ৰকলাৰ অনুশীলন হৈছিল বুলি বুৰঞ্জীসমূহে জানিবলৈ দিয়ে৷ অসমৰ পুথিচিত্ৰসমূহত ইয়াৰ সুন্দৰ নিদৰ্শন পোৱা যায়৷ চিত্ৰ অলংকৃত ভালেকেইখন সাঁচিপতীয়া পুথি অসমত পোৱা গৈছে৷ চিত্ৰভাগৱত, বিভিন্ন চৰিতপুথি, মাধৱকন্দলি ৰচিত সুন্দৰাকাণ্ড ৰামায়ণৰ লগতে আনন্দ লহৰী, কল্কিপুৰাণ, ধৰ্মপুৰাণ আৰু হস্তীবিদ্যাৰ্ণৱ আদি ব্যৱহাৰিক জ্ঞানৰ পুথিত চিত্ৰকলাৰ সুন্দৰ নমুনা সংৰক্ষিত হৈ আছে৷

**২.০২ লোক শিল্পঃ** লোকশিল্পই জীৱনৰ বাস্তৱ দিশটোৰ ছবি প্ৰতিফলিত কৰে৷ লোকশিল্পই লোকজীৱনৰ কলা অনুৰাগী মনৰ সুন্দৰ নিদৰ্শন দাঙি ধৰে৷ দৈনন্দিন জীৱনত ব্যৱহৃত প্ৰায় সকলোবোৰ সা-সঁজুলিৰ সম্পৰ্ক লোকশিল্পৰ লগত৷ লোকশিল্পৰ পৰিসীমাত মৃৎশিল্প, ধাতুশিল্প যেনে– লো শিল্প, স্বৰ্ণ শিল্প, ৰূপ শিল্প, তাম্ৰ শিল্প, কাঁহ-পিতলৰ শিল্প, বয়ন শিল্প, কাঠ শিল্প, বাঁহ-বেতৰ শিল্প, কুঁহিলা শিল্প, হাতী দাঁতৰ শিল্প আদিক সামৰিব পাৰি৷

লোকশিল্পৰ ভিতৰত মৃৎশিল্প অসমৰ এক প্ৰাচীন শিল্প৷ গ্ৰাম্য সমাজত দৈনন্দিন ব্যৱহাৰ্য প্ৰায়বোৰ সামগ্ৰীয়েই মৃৎশিল্পৰ ভিতৰুৱা৷ কুমাৰ আৰু হীৰা এই দুই জাতিয়ে মানুহৰ নিত্য প্ৰয়োজনীয় বস্তু যেনে– কলহ, টেকেলি, চৰু, গিলাছ, সৰু-বৰ চাকি, ধূপদানি, ধূনামলা, গাগৰি, দুলৰি আদি বৰ নিপুণভাৱে তৈয়াৰ কৰিছিল৷ইয়াৰোপৰি কুমাৰে শিল কাটি পটা, পটাগুটি, ঢেঁকীৰ খুবলি, শিলৰ ফলি আদিও নিৰ্মাণ কৰিছিল৷ দৈনন্দিন ব্যৱহাৰ্য সামগ্ৰীসমূহৰ উপৰিও তেওঁলোকে বিভিন্ন দেৱ-দেৱীৰ মূৰ্ত্তি, নানাধৰণৰ পুতলাও সাজি উলিয়াইছিল৷ সোণ, ৰূপ, তাম, পিতল, কাঁহ, লো আদি ধাতুৰ পৰা তৈয়াৰী সকলোবোৰ সামগ্ৰী ধাতুশিল্পৰ ভিতৰুৱা৷ অসমত অতি প্ৰাচীন কালৰে পৰাই ধাতুশিল্পৰ চৰ্চা আৰু সৃষ্টি হৈ আহিছে৷ স্বৰ্ণ শিল্পৰ ক্ষেত্ৰত অসম অতি চহকী৷ হৰ্ষবৰ্ধনলৈ ভাস্কৰবৰ্মাই পঠোৱা অলংকাৰৰ তালিকাৰ পৰা অসমীয়া সোণাৰীৰ শিল্প-দক্ষতা উপলব্ধি হয়৷ কলাপ্ৰীতিৰ বাবেই হওঁক নাইবা দৈনন্দিন জীৱনৰ প্ৰয়োজনৰ খাতিৰতেই হওঁক লোকশিল্পসমূহৰ চৰ্চা অসমত পুৰুষানুক্ৰমে চলি আহিছে৷ এই শিল্পকৰ্মবোৰে মানুহৰ জীৱিকা নিৰ্বাহৰ ক্ষেত্ৰতো অতীজৰে পৰাই সহায় কৰি আহিছে৷ ইয়াৰ ফলতেই অসমত কমাৰ, কঁহাৰ, কুমাৰ, তেলী, হীৰা, সোণাৰী আদি জাতিৰ সৃষ্টি সম্ভৱ হৈছে৷

বয়ন শিল্পৰ ক্ষেত্ৰত সমগ্ৰ জগততে অসমৰ এক সুকীয়া পৰিচয় আছে৷ সপ্তম শতিকাৰ ৰজা ভাস্কৰ বৰ্মাৰ উপঢৌকনৰ মাজত মিহি, উৎকৃষ্ট খাপৰ ৰেচমী কাপোৰৰ নাম পোৱা যায়৷ ৰেচমী কাপোৰ তিনিবিধ– পাট, মুগা, আৰু এৰী৷ অসমীয়া শিপিনীয়ে পাট-মুগাৰ কাপোৰত বাছি উলিওৱা সোণালী-ৰূপালী গুণাৰ কামকৰা ফুলে তেওঁলোকৰ শিল্প নৈপুণ্যৰ পৰিচয় দাঙি ধৰে৷ মধ্যযুগৰ বৃন্দাবনীবস্ত্ৰ ই ইয়াৰ উৎকৃষ্ট উদাহৰণ৷ ধাতু শিল্প, বয়ন শিল্পৰ উপৰিও বাঁহ-বেট-কুঁহিলাআৰু হাতীৰ দাঁতৰ শিল্পও লোকজীৱনৰ এৰাব নোৱাৰা অংশ৷

হোমেন বৰগোহাঞিৰ 'পিতাপুত্ৰ' উপন্যাসৰ পটভূমি গ্ৰাম্য সমাজ হোৱা বাবেই ইয়াত লোকসমাজৰ বিভিন্ন সমল বিচাৰি পোৱা যায়। বিশেষকৈ লোকশিল্পৰ অন্তৰ্গত সামগ্ৰীসমূহে উপন্যাসখনৰ বিস্তৃত অংশ অধিকাৰ কৰি আছে। দৈনন্দিন জীৱনৰ নিত্য ব্যৱহাৰ্য অলেখ সমলৰ উল্লেখ উপন্যাসখনত পোৱা যায়। ইয়াৰ উপৰিও বিভিন্ন উৎসৱ-অনুষ্ঠানৰ উপলক্ষত নাইবা নিয়ম-নীতিৰ প্ৰসংগতো বহুতো সমলৰ কথা উল্লেখ কৰা হৈছে। এনে সামগ্ৰীসমূহে মূলতঃ লোকজীৱনৰ কলা নিপুণতা আৰু কলাসুলভ মনটোৰ পৰিচয় দাঙি ধৰিছে। উদাহৰণ স্বৰূপে, উপন্যাসখনত বিভিন্ন লোকশিল্পৰ অন্তৰ্গত সমল যেনে– এৰীচাদৰ, পেটাৰি, বটা, কলহ,পেৰা, থুৰীয়া, লোটা, হাড়ী, বানকাহী, বানবাটি, গামোচা, খলহা, টাকুৰি, ডুখৰি পীৰা, ব'ঠা, বৰিয়া, থৈলা, দোণ, পঘা, মহুৰা, যঁতৰ, ঢোল, জকাই, জুলুকি, দগৰ, খৰম, শৰাই, খালৈ আদি সমলসমূহৰ উল্লেখ উপন্যাসখনত আছে।

**২.০৩ লোক স্থপতিবিদ্যাঃ** ঘৰ-দুৱাৰ নিৰ্মাণৰ ক্ষেত্ৰত অসমীয়া মানুহৰ সুকীয়া বৈশিষ্ট্য পৰিলক্ষিত হয়। ঘৰ-দুৱাৰ নিৰ্মাণৰ সকলো কলা-কৌশল স্থপতিবিদ্যাৰ ভিতৰুৱা। সেইদৰে নিৰ্মিত বস্তুৰ ওপৰত কৰা কাৰুকাৰ্যই মূলতঃ ভাস্কৰ্য। অসমৰ বিভিন্ন নামঘৰ, মন্দিৰ, দেৱালয়, শক্তিপীঠ আদিত খোদিত কাৰুকাৰ্যই ভাস্কৰ্যৰ নমুনা দাঙি ধৰে।

অসমত বসবাস কৰা প্ৰায়সংখ্যক লোক খেতিয়ক হোৱা বাবেই তেওঁলোকৰ গৃহ-নিৰ্মাণ প্ৰণালীও অতি সৰল। প্ৰাকৃতিকভাৱে পোৱা আহিলাসমূহৰ পৰাই তেওঁলোকে আটোম-টোকাৰিকৈ ঘৰ-দুৱাৰ নিৰ্মাণ কৰেঘৰ-দুৱাৰ নিৰ্মাণৰ ক্ষেত্ৰত বাঁহ, বেত, ইকৰা, খেৰ আৰু কাঠৰ ব্যৱহাৰ অপৰিহাৰ্য। ইকৰাৰ বেৰ, বাঁহৰ চোচ, খুটা, কামী, ছটা, চ'তি, চকোৱা, মাৰলি আদি ঘৰ সজা কামত সততে ব্যৱহাৰ হয়। ঘৰটো দীৰ্ঘস্থায়ী হ'বৰ বাবে শাল, গমাৰি, নাহৰ, সোণাৰু, বনচোম, কঁঠাল, গন্ধসৰৈ, কৰৈ, আজাৰ, পমা আদি কাঠৰ খুটা লগোৱা হয়। বাঁহৰ ভিতৰত ভলুকা বাঁহেই বেছিকৈ ব্যৱহাৰ কৰা হয়।

গৃহনিৰ্মাণৰ ক্ষেত্ৰত দেখা যায় যে, পাকঘৰটোৱে লোকজীৱনত বিশেষ ভূমিকা পালন কৰি আহিছে। লোকসমাজৰ স্থাপত্য লক্ষ্য কৰিলে সাধাৰণতে আন কোঠালি বিলাকতকৈ অলপ আছুতীয়াকৈ পাকঘৰটো সজা দেখা যায়। পাকঘৰত সোমাওঁতে গা-পা ধুঁই সোমোৱাৰ নিয়ম লোকসমাজত এতিয়াও প্ৰচলিত আছে। খোৱাপানীৰ বাবে কুঁৱা বা নাদ ব্যৱহাৰ কৰা হয়। বাচন-বৰ্তন ধুঁই শুকুৱাবৰ বাবে কুঁৱা বা নাদৰ পাৰত বাঁহৰে চাং সজা হয়।

ভঁৰালঘৰ আৰু গোহালিঘৰ কৃষিজীৱী মানুহৰ গৌৰৱৰ প্ৰতীক। বানপানীৰ পৰা ৰক্ষা কৰিবলৈ ভঁৰাল ঘৰটো সাধাৰণতে ওখকৈ সজা হয়। ধান থ'বলৈ যিখন চাং সজা হয় তাত প্ৰথমে গছৰ মুঢ়া বা শিলৰ থুম বা ধুম দিয়ে। তাৰ ওপৰত কাঠৰ দীঘল ধাম দি গাধৈ বান্ধে। গাধৰি বা গাধৈত চোংহলাৰে বেৰ দিয়ে। সেই চোংহলাৰ লাজত বান্ধি দিয়া যোৰ কামীৰ নাম সৰাহ বা খামোচা।

গাধৈত থিয় কৰি দিয়া বাঁহৰ ছটাবোৰ হ'ল লিটিকাই; কোনোৱে মেৰধৰা কামীকো লিটিকাই বোলে। দুখন বেৰৰ মূৰত বাঁহৰ চোঁচ দি জোৰা লগাই পোলা বন্ধা হয়।[৭]

গৰু, ম'হ আৰু ছাগলীৰ বাবে গোহালিঘৰ সজা হয়। গোহালিঘৰটোৰ চাৰিওফালে বেৰ নাথাকে, মুকলিকৈ ৰখা হয়। কেতিয়াবা ছাগলীৰ বাবে ওখ চাং ঘৰো সজা হয়। পোহনীয়া পাৰৰ বাবে বাহ বা টঙীঘৰ সজা হয়। একেদৰে হাঁহ-কুকুৰা, আৰু গাহৰিৰ বাবে গড়াল সজা হয়। ঘৰৰ চৌহদটো সুৰক্ষিত কৰি ৰাখিবৰ বাবে চাৰিওকাষ জেওৰাৰে আগুৰি পদুলি মূৰত নঙলা বা জপনা দিয়া হয়।

হোমেন বৰগোহাঞিৰ 'পিতাপুত্ৰ' উপন্যাসখনৰ মাজেদি লোকসমাজৰ স্থপতিবিদ্যাৰ এখন সজীৱ চিত্ৰ ফুঁটি উঠিছে। উপন্যাসখনত বৰঘৰ, মাৰলঘৰ, চ'ৰাঘৰ, শোৱনিকোঠা, বাহিৰঘৰ, চাং, বেৰা, চালি, টঙীঘৰ, চোতাল, বাৰাণ্ডা, পিৰালি, মূধচ, নাওৰা, ভঁৰাল, গোহালি, নামঘৰ বা গোসাঁইঘৰ আদি স্থাপত্যৰ উল্লেখ আছে। উদাহৰণ–

(ক) অৱশ্যে তেওঁলোকৰ কাৰণে ঘৰৰ গিৰিহঁতনীয়ে সেই মাজৰাতিখন গা-পা ধুই পুনৰ <u>পাকঘৰ</u>ত সোমাবলগা নহয়।[৮]

(খ) অপাৰ লাজ-সংকোচ কাতি কৰি তেওঁ যেতিয়া নিজৰ <u>শোৱনিকোঠা</u>ত সোমাল...[৯]

(গ) <u>নঙলামুখ</u>ৰ পৰাই চাৰি-পাঁচটাই লগ লাগি চিঞৰি-বাখৰি...[১০]

(ঘ) তেওঁৰ অৱস্থা দেখিয়ে শিৱনাথে একো কথা-বাৰ্তা নুসুধি তেওঁক পোনে <u>মাৰলঘৰ</u>লৈকে মাতি আনিলে আৰু জুইশালৰ...[১১]

**২.০৪ লোক ৰন্ধনপ্ৰণালীঃ** ভৌগোলিক পৰিৱেশে মানুহৰ খাদ্যদ্ৰব্যৰ ওপৰত গুৰুতৰ প্ৰভাৱ পেলায়। অসম মূলতঃ কৃষি প্ৰধান ৰাজ্য আৰু ধানেই ইয়াৰ প্ৰধান খেতি। সেইবাবেই ভাত অসমীয়া মানুহৰ প্ৰধান খাদ্য।ইয়াৰ বাহিৰেও অসমত মাহ, সৰিয়হ, তিল, ঘেঁহু আদিৰ খেতিও কৰা হয়। শস্যৰ সমান্তৰালভাৱে অসমীয়া মানুহে নানাধৰণৰ শাক-পাচলিৰ খেতিও কৰে। লোকসমাজত প্ৰত্যেক গৃহস্থীৰ বাবে শাকনিবাৰীখন অবিচ্ছেদ্য অংগৰ দৰে। লাই, লফা, পালেং, চুকা, বাবৰি, ধনিয়া, খুতৰা, জিল্‌মিল্‌, মৰিচা, লাও, জিকা, ভোল, কোমোৰা আদি বিভিন্ন বতৰৰ পাঁচলিৰে অসমীয়া মানুহৰ শাকনিবাৰীখন পৰিপূৰ্ণ হৈ থাকে।

ভাতৰ উপৰিও লঘু আহাৰৰ ভিতৰত জলপান লোকসমাজত অতি জনপ্ৰিয় খাদ্য। সান্দহ, পিঠাগুড়ি, চিৰা, মুৰি, আখৈ, পায়স, বৰাচাউল সিজোৱা আদি অসমীয়াৰ প্ৰিয় খাদ্য। ইয়াৰোপৰি পিঠাগুড়িৰ পৰা তৈয়াৰ কৰা বিভিন্ন পিঠা যেনে- বৰপিঠা, তিলপিঠা, খোলাচপৰীয়া পিঠা, টেকেলিপিঠা, চুঙা পিঠা, নাঙলপিঠা আদি, ফলৰ লগত পিঠাগুড়ি মিলাই তৈয়াৰ কৰা কলপিঠা, তালপিঠা, লস্কৰা, পাকমিঠৈ, তিলৰ লাৰু, মুৰিৰ লাৰু আদিৰ সোৱাদেই সুকীয়া। লোকসমাজত বিয়া-সবাহ, সকাম-নিকাম, শ্ৰাদ্ধ আদি অনুষ্ঠানত কোমলচাউল, দৈ আৰু গুৰ অতি প্ৰচলিত খাদ্য।

মাহ-প্ৰসাদ, ফল-মূল লোকজীৱনৰ অতি চিনাকি খাদ্য। নামঘৰ বা মন্দিৰত বিভিন্ন পূজা-পাৰ্বন, উৎসৱ অনুষ্ঠানত মাহ-প্ৰসাদৰ শৰাই আগবঢ়োৱা হয়। ফল-মূলৰ ভিতৰত আম, কঁঠাল, লেটেকু, পনিয়ল, কুঁহিয়াৰ, কল, জামু, মধুৰিআম, ডালিম, বগৰী, শিলিখা, আমলখি, নাৰিকল, মৌচুমী, কমলা, সুমথিৰা, ৰবাব টেঙা আদি উল্লেখযোগ্য।

ইয়াৰ উপৰিও ৰ'দত শুকুৱাই, আচাৰ বনাই বতৰৰ খাদ্য, ফল-মূল আদি সংৰক্ষণ কৰাৰ নিয়মৰো প্ৰচলন লোকসমাজত আছে।বাৰিষা কুমলীয়া বাঁহৰ পৰা তৈয়াৰ কৰা গাজ শুকুৱাই পিছত খাবৰ বাবে খৰিচা বনোৱা হয়। সেইদৰে সৰিয়হৰ পৰা তৈয়াৰ কৰা খাৰলি, কাহুদি বা পানীটেঙা লোকজীৱনৰ অতি চিনাকি খাদ্য।

আলোচিত উপন্যাসখনত আহু আৰু শালি ধানখেতিৰ লগতে বিভিন্ন শাক-পাচলি, ফল-মূলৰ উল্লেখ পোৱা যায়।উপন্যাসৰ ১২৩ নং পৃষ্ঠাত পুৰণি জহা, নল-চিটিকি, শ'ল পোনা আৰু আমপাখী ধানৰ নাম উল্লেখ আছে। সেইদৰে উপন্যাসখনত হৰিণৰ মাংসৰ আঞ্জা, নল-চিটিকি চাউলৰ ভাত, মগুমাহৰ আঞ্জা, আলু আৰু ৰঙালাও ভজা, খৰুৱা বেঙেনা আৰু পকাতেলৰ পিটিকা, হাঁহৰ মাংসৰ আঞ্জা, মাটি মাহৰ খাৰ, জিল্‌মিল্‌ শাক ভজা, কচুথোৰ, কৰ্দৈ টেঙা, গৰুৰ গাখীৰ, মাছ, বাৰীৰ কঁঠাল, কচু-ঢেকীয়া, জলকীয়া, বেঙেনা, আপং,

পিয়াঁজ, লাই, লফা আদিৰ লগতে পিঠাগুড়ি, সান্দহ গুড়ি, চপৰীয়া পিঠা, সৰিয়হ শাকৰ লগত শ'ল মাছৰ পেটু পাতত দিয়া, বৰাচাউলৰ চুঙাপিঠা, লুথুৰী-পিঠা আদি অনেক খাদ্যবস্তুৰ উল্লেখ আছে৷ উদাহৰণস্বৰূপে ৩১নং পৃষ্ঠাত আছে–

"শিৱনাথৰ ঘৈণীয়েকে ভাত লৈ ওলাই আহিল৷ বানকাঁহীত নল-চিটিকি চাউলৰ ভাত, বানবাটিত মগুমাহৰ আঞ্জা, কাঁহীৰ কাষত আলু আৰু ৰঙালাও ভজা, এখন প্লেটত পোৰা খৰুৱা বেঙেনা আৰু পকাতেলৰ পিটিকা৷ " [১২]

সেইদৰে উপন্যাসখনৰ ২২৫নং পৃষ্ঠাত পোৱা যায়–

"কালিনাথে আঞ্জাৰ বাটি তিনিটা পৰীক্ষা কৰি দেখিলে– এটা বাটিত হাঁহৰ মাংসৰ আঞ্জা, এটা বাটিত মাটি মাহৰ খাৰ আৰু তৃতীয়টো বাটিত জিলমিল শাকৰ ভজা৷ ভাতৰ কাষতে পোৰা বেঙেনাৰ পিটিকা৷" [১৩]

লোকসমাজত চেনিতকৈ গুৰৰ ব্যৱহাৰ বেছিকৈ কৰা হয়৷ বিভিন্ন ধৰণৰ জা-জলপানৰ লগত বা চাহৰ লগত খাবলৈ সততে গুৰ ব্যৱহাৰ কৰা হয়৷ পিতাপুত্ৰ উপন্যাসৰ ২১৭ নং পৃষ্ঠাত গুৰৰ চাহ খোৱাৰ কথা উল্লেখ আছে৷

কোঁটকোৰা গুটি লোকসমাজৰ বাবে অতি পৰিচিত৷ উপন্যাসখনৰ ৫৪-৫৫ নং পৃষ্ঠাত ইয়াৰ উল্লেখ আছে এনেদৰে–

এই ল'ৰা-ছোৱালীবোৰে বিশেষকৈ পুৱা আৰু আবেলি পৰত হাবিৰ মাজত পিতৃপিতাই বনৰীয়া কচুৰ ফুল, পকা বন-কেৰেলা, গৰু-খিচ আৰু বনজৰাৰ গুটি বিচাৰি ঘূৰি ফুৰে, সেইবোৰ সিঁহতৰ কাৰণে পৰম লোভৰ খাদ্য৷ এইবোৰতকৈয়ো বেছি দুষ্প্ৰাপ্য আৰু লোভনীয় ফল হ'ল কোঁটকোৰাৰ গুটি আৰু কৰবী ফুলৰ গুটি৷ নৈৰ সিপাৰে চাপৰিৰ ডাঠ হাবিৰ মাজত কোঁটকোৰাৰ গছ আছে৷ তাৰ পৈণত গুটিবোৰ পাৰি আনি সিহঁতে নৈৰ পাকবালিত পকিবৰ কাৰণে পুতি থয়৷ তিনি-চাৰিদিনৰ পাছত যেতিয়া সেইবোৰ ভালকৈ পকি উঠে, তেতিয়া এডাল জৰীৰে সেইবোৰ এধাৰ মালাৰ দৰে গাঁথি ঘৰৰ চালত শুকাবলৈ দিয়া হয়৷ টান ৰ'দত বিহ এঠাবোৰ শুকাই গৈ কোঁটকোৰাৰ গুটিবোৰ টেঁটেৰা নপৰালৈকে সি খাবৰ উপযোগী নহয়৷[১৪]

**৩.০০ সামৰণিঃ** হোমেন বৰগোহাঞিৰ 'পিতাপুত্ৰ' উপন্যাসখনত প্ৰজন্মৰ ব্যৱধান, গ্ৰাম্যসমাজলৈ আধুনিকতাৰ প্ৰৱেশ আদি বিভিন্ন বিষয়ক এটা সাৱলীল কাহিনীৰ মাজেৰে উপস্থাপন কৰিছে। স্বাধীনতাৰ পৰৱৰ্ত্তীকালৰ অসমৰ এখন সজীৱ প্ৰতিচ্ছৱি দাঙি ধৰাৰ লগতে উপন্যাসখনত লোকসমাজৰ বিভিন্ন দিশত আলোকপাত কৰা হৈছে। লোকজীৱনৰ লগত জড়িত শিল্পকলা, ৰন্ধনপ্ৰণালী আৰু স্থপতিবিদ্যাৰ সুন্দৰ নিদৰ্শন উপন্যাসখনত পোৱা গৈছে৷ উপন্যাসখনত থকা এনে সমলসমূহৰ উল্লেখে লোকসমাজত এইসমূহৰ ব্যৱহাৰ যোগ্যতাৰ কথাই প্ৰতিপন্ন কৰিছে৷

**প্ৰসংগ সূত্ৰঃ**


১. শৰ্মা, নবীনচন্দ্ৰঃ *লোক সংস্কৃতি,* গুৱাহাটী। চন্দ্ৰ প্ৰকাশ, প্ৰথম প্ৰকাশ, ১৯৯৭। প্ৰকাশিত৷ পৃ. ১

২. Dorson R. M.(Edited): *Folklore and Folklife An Introduction,*Cicago 1972, p.1, Print.

৩. Ibid, p.1.

৪. বৰগোহাঞি, হোমেনঃ *জিজ্ঞাসা,* কলকাতা, শ্ৰীভূমি পাবলিচিং কোং, পৰিবৰ্ধিত দ্বিতীয় সংস্কৰণ, ১৯৮৬৷প্ৰকাশিত৷ পৃ.১৪-১৫

৫. শৰ্মা, সত্যেন্দ্ৰনাথঃ *অসমীয়া উপন্যাসৰ গতিধাৰা,* গুৱাহাটী । সৌমাৰ প্ৰকাশ, পুনৰ মুদ্ৰণ, ২০০৪ ।প্ৰকাশিত৷ পৃ. ১৬৭

৬. বৰুৱা, প্ৰ□হ্লাদ কুমাৰঃ *সাহিত্যঃ দেশী আৰু বিদেশী,* ডিব্ৰুগড়। বনলতা, প্ৰথম প্ৰকাশ, ১৯৮৯৷ প্ৰকাশিত৷ পৃ. ২৩

৭. বৰুৱা, বিৰিঞ্চি কুমাৰঃ *অসমৰ লোক-সংস্কৃতি*, গুৱাহাটী। বীণা লাইব্ৰেৰী, ষষ্ঠ প্ৰকাশ, ১৯৯৯৷ প্ৰকাশিত৷ পৃ. ১২৯

৮. বৰগোহাঞি, হোমেন। *পিতাপুত্ৰ,* গুৱাহাটী।ষ্টুডেণ্টচ্ ষ্ট'ৰচ্, সপ্তম সংস্কৰণ, ২০০৫। প্ৰকাশিত৷ পৃ. ১৪৫

৯. বৰগোহাঞি, হোমেনঃ *পূৰ্বোক্ত গ্ৰন্থ,* পৃ, ১৯

১০. *উল্লিখিত গ্ৰন্থ,* পৃ. ২০

১১. *উল্লিখিত গ্ৰন্থ,* পৃ. ২০

১২. *উল্লিখিত গ্ৰন্থ,* পৃ. ৩১

১৩. *উল্লিখিত গ্ৰন্থ,* পৃ. ২২৫

১৪. *উল্লিখিত গ্ৰন্থ,* পৃ. ৫৪-৫৫